# Prime Minister to address High-Level Segment of ECOSOC on 17 July, 2020

July 16, 2020

---

## অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ উচ্চ স্তৰীয় খণ্ডক সম্বোধি জুলাই 17, 2020 তাৰিখে প্ৰধান মন্ত্ৰী মহোদয়ে প্ৰদান কৰিব ভাষণ

জুলাই 16, 2020

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী মহোদয়ে এই বৰ্ষৰ ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ উচ্চ স্তৰীয় খণ্ডক সম্বোধি অহা শুক্ৰবাৰ, জুলাই 17, 2020 তাৰিখে (স্থানীয় সময়) পুৱা ৯.৩০ বজাৰ পৰা ১১.৩০ বজালৈ নিউয়ৰ্কত অৱস্থিত ৰাষ্ট্ৰসংঘত ভাৰ্চুৱেলি অংশ লৈ ভাষণ প্ৰদান কৰিব। প্ৰধানমন্ত্ৰী গৰাকীয়ে এই অনুষ্ঠানৰ বিদায়ী সম্ভাষণত নৰৱেৰ প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰসংঘৰ মহাসচিব এন্টনিঅ' গুটেৰছৰ সৈতে ভাষণ প্ৰদান কৰিব।

এই বাৰ্ষিক উচ্চ পৰ্যায়ৰ অংশই বিভিন্ন প্ৰকাৰৰ উচ্চ স্তৰৰ এক চৰকাৰী প্ৰতিনিধিৰ দলক, বেচৰকাৰী খণ্ড, অসামৰিক সমাজ আৰু বৌদ্ধিক মহলক আহ্বান জনায়। এই বৰ্ষৰ উচ্চ পৰ্যায়ৰ অংশৰ বিষয় হৈছে "ক'ভিড- 19ৰ পৰৱৰ্ত্তী সময়ত বহুপাক্ষিকতাঃ 75তম বাৰ্ষিকীত আমাক কেনেকুৱা ৰাষ্ট্ৰসংঘৰ প্ৰয়োজন"।

পৰিৱৰ্ত্তিত আন্ত:ৰাষ্ট্ৰীয় পৰিৱেশ আৰু ক'ভিড- 19 মহামাৰীৰ বিপক্ষে স্থাপিত, এই অভিবৰ্তনে বহুপাক্ষিকতাৰ পথ গঠন কৰি সংকটপূৰ্ণ শক্তিসমূহৰ ওপৰত মনোনিবেশ কৰিব আৰু শক্তিশালী নেতৃত্ব, কাৰ্যকৰী আন্ত:ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান, বহুল অংশীদাৰিত্ব আৰু সাৰ্বজনীন জন সম্পত্তিৰ বৰ্দ্ধিত গুৰুত্বৰ জৰিয়তে এই বিশ্বজনীন বিষয়ক সমৰ্থন কৰিবৰ বাবে পথৰ সন্ধান কৰিব।

যোৱা 17 জুনত 2021-22 বৰ্ষৰ বাবে সুৰক্ষা পৰিষদৰ অস্থায়ী সদস্যৰূপে হোৱা ভাৰতৰ অভিলেখকাৰী নিৰ্বাচনৰ পিছত ৰাষ্ট্ৰসংঘ বিশাল সদস্যসমূহক সম্বোধন কৰাৰ বাবে এই অভিবৰ্তনেই হৈছে ভাৰতৰ প্ৰধানমন্ত্ৰীৰ প্ৰথম সুযোগ| অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ প্ৰতিষ্ঠাতা ৰাষ্ট্ৰসংঘৰ ৭৫তম বাৰ্ষিকী উপলক্ষে এই অধিবেশনৰ বিষয় ভাৰতবৰ্ষৰ সুৰক্ষা পৰিষদৰ অগ্ৰাধিকাৰৰ সৈতেও খাপ খাই পৰিছে য'ত আমি ক'ভিড- 19ৰ পৰৱৰ্ত্তী সময়ত এক সংশোধিত বহুপাক্ষিকতাৰ পৃষ্ঠপোষকতা কৰিছো। ই অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ উদ্বোধনী অধ্যক্ষতাৰ অধিকাৰী ৰূপে ভাৰতৰ ভূমিকাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে (চাৰ ৰামাস্বামী মুডালিয়াৰ, 1946 চনত)। প্ৰধানমন্ত্ৰীয়ে আগেয়ে, জানুৱাৰী, 2016ত অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ 70তম বাৰ্ষিকীত অধিবেশনৰ সাৰমৰ্ম ব্যাখ্যা কৰিছিল।

**নতুন দিল্লী**
জুলাই 15, 2020

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.